# SKHOLE

**VOLUME - I**
**2015**

**JAWAHARLAL NEHRU COLLEGE STUDY CENTRE, BOKO**
**KRISHNA KANTA HANDIQUE STATE OPEN UNIVERSITY**

# SKHOLE

## VOL-I
## 2015

JAWAHARLAL NEHRU COLLEGE STUDY CENTRE, BOKO
KRISHNA KANTA HANDIQUE STATE OPEN UNIVERSITY

In-charge
Mrs. Bijaya Deka

Editor
Simanta Kr. Sarma

# সূচী


| | | |
|---|---|---|
| সম্পাদকীয় - | | |
| Action Research: A Handy Tool for Teachers | Dr. B.B.Panda | ১১ |
| The Essence of Mathematics | Dr. Dipankar Sarma | ১৩ |
| Education for Teacher | Nilamani Upadhyay | ১৭ |
| Women Education in Vedic Period | Dipanjali kalita | ১৯ |
| Front line Staff of Forest Department | Anuradha Goswami | ২১ |
| প্ৰাথমিক শিক্ষকৰ বাবে D.El.Ed পাঠ্যক্ৰম ঃ ৰাষ্ট্ৰ নিৰ্মাণৰ উচিত শিক্ষা | ড° গণেশ্বৰ চহৰীয়া | ২২ |
| শিক্ষা, শিক্ষক আৰু সাধনা | বিজয়া ডেকা | ২৫ |
| বৰ্তমানৰ প্ৰেক্ষাপটত শিক্ষক প্ৰশিক্ষনৰ প্ৰয়োজনীয়তা | বৰ্ণালী ৰাভা | ২৮ |
| মালালা ইউছুফজাই নাৰী শিক্ষাৰ পৰা শান্তিৰ ন'বেল বঁটালৈ | প্ৰণিতা দাস | ২৯ |
| স্মৃতিৰ বৰপেৰাত জে এন কলেজৰ সেউজ স্মৃতি | মনালী চুতীয়া | ৩২ |
| আধুনিক নৃত্য আৰু শিশুৰ ভবিষ্যৎ | তপন দাস | ৩৪ |
| **গল্প** | | |
| নিজানত হিয়াৰ নিৰৰ উচুপনি | ধীৰাজ দাস | ৩৭ |
| **নাটক** | | |
| সংকল্প | বিষয়া কলিতা | ৩৯ |
| শিক্ষকৰ জানিবলগীয়া কথা | সংগ্ৰহ ঃ ঝীমা পণ্ডিত | ৪২ |
| **কবিতা** | | |
| চম্পাৱতী মই যে পগলা কবি | অনুপম কলিতা | ৪৩ |
| আমি ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ | কবিতা চৌধুৰী | ৪৪ |
| প্ৰত্যাহ্বান | শ্ৰীপ্ৰণিতাময়ী দাস | ৪৫ |
| ভাড়াতীয়া | প্ৰণিতা দাস | ৪৫ |
| পৰিবৰ্ত্তন | সীমান্ত কুমাৰ শৰ্মা | ৪৬ |
| অজান দূত | মৃণালিনী তালুকদাৰ | ৪৬ |
| তুমি এবাৰ মাত্ৰ ভাল পাই চোৱা | হেমন্ত দাস | ৪৭ |
| নাৰী | গীতুমণি দাস | ৪৭ |
| ফাগুন | প্ৰিয়চৰণ ঠাকুৰীয়া | ৪৮ |
| जीवन में हैं कितने रंग | Anuradha Goswami | ৪৮ |
| **পৰিশিষ্ট** | | |

# শিক্ষা, শিক্ষক আৰু সাধনা

বিজয়া ডেকা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

মোৰ বিশ্বাস পৃথিৱীত এনে কোনো বৃত্তি নাই যিটো শিক্ষকতাতকৈ সমাজৰ বাবে বেছি গুৰুত্বপূৰ্ণ।

*ড° এ.পি. জে. আব্দুল কালাম*

শিক্ষা এক ধাৰাবাহিক প্ৰক্ৰিয়া। এটি শিশু ভূমিষ্ঠ হোৱাৰ লগে লগেই শিক্ষা আৰম্ভ হয় আৰু মৃত্যু পৰ্যন্ত ই নিৰৱচ্ছিন্ন গতিত চলি থাকে। জীৱন পৰিক্ৰমাত মানুহে নানান অভিজ্ঞতা অৰ্জন কৰি সেইবোৰৰ পৰা ন ন শিক্ষালাভ কৰে। অৰ্থাৎ অভিজ্ঞতাৰ সমষ্টিয়েই হ'ল শিক্ষা। এনে অৰ্থত জীৱনেই শিক্ষা, শিক্ষাই জীৱন। শিক্ষাই আচৰণ সংশোধন কৰে আৰু ব্যক্তিক পৰিৱেশৰ লগত সুস্থ সমাযোজনত সহায় কৰে। উচিত শিক্ষাই ব্যক্তি সুচৰিত্ৰবান আৰু সমাজৰ বাবে উপযোগী কৰি তোলে। অন্য অৰ্থত শিক্ষা জ্ঞান আৰু বুদ্ধিৰ মাজেদি কৰা এক অন্তহীন যাত্ৰা। স্বামী বিবেকানন্দৰ মতে -'শিক্ষা হ'ল মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ স্পষ্ট প্ৰকাশ' (Education is the manifestration of divine perfection already in man) । প্ৰকৃতাৰ্থত শিক্ষা হ'ল সত্যৰ অন্বেষণ।

সাধাৰণতে এটি শিশুৱে পিতৃ-মাতৃ তথা পৰিয়ালৰ আন সদস্যবৰ্গৰ সংস্পৰ্শলৈ আহি নানান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পাপ-পুণ্য, ন্যায়-অন্যায় আদিৰ বিষয়ে শিক্ষা লয় আৰু সামাজিকীকৰণ হ'বলৈ আৰম্ভ কৰে। লাহে লাহে ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ, আত্মীয়-কুটুম্ব আদিৰ জৰিয়তেও নানান মূল্যবোধৰ শিক্ষালাভ কৰি জীৱন বাটত আগুৱাবলৈ ধৰে। অৱশ্যে নানান মূল্যবোধৰ শিক্ষা লাভ কৰে ঘৰখনতেই। এই ক্ষেত্ৰত মাতৃৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিয়নো এটি শিশুৱে মাকৰ লগতেই বেছিখিনি সময় অতিবাহিত কৰে। সেইবাবেই কোৱা হয় 'ঘৰখনেই প্ৰথম স্কুল আৰু মাকেই প্ৰথম শিক্ষয়িত্ৰী।' অৰ্থাৎ শিশুক সু-ৰুচিসম্পন্ন আচাৰ-ব্যৱহাৰ তথা মূল্যবোধৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত মাতৃগৰাকীয়েই মূলধন বুলিব পাৰি।

আনহাতে শিশুটিয়ে চাৰি-পাঁচ বছৰ অতিক্ৰম কৰাৰ লগে লগেই আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজনীয়তা আহি পৰে। এনে অৰ্থত শিক্ষা হ'ল কোনো বিষয়ৰ কৌশল আয়ত্ত কৰা। পূৰ্ব নিৰ্দ্ধাৰিত পাঠ্যক্ৰম অনুসৰি, নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পুথিগত জ্ঞান, নিৰ্দিষ্ট কেতবোৰ কৌশল আয়ত্ত কৰা, মূল্যায়ণ পদ্ধতিৰ সন্মুখীন হোৱা আদি আনুষ্ঠানিক শিক্ষাত অতি গুৰুত্বপূৰ্ণ কথা। আনুষ্ঠানিক শিক্ষাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মুখামুখি অপৰিহাৰ্য য'ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এক আবেগিক সম্পৰ্ক গঢ় লৈ উঠে। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বাবে শিকাৰ উপযুক্ত পৰিৱেশ গঢ়িবলৈ শিক্ষকে ছাত্ৰী-ছাত্ৰীৰ ৰুচি-অভিৰুচিৰ

প্ৰতি ধ্যান দিয়া, গণতান্ত্ৰিক দৃষ্টিভংগী পোষণ কৰা তথা ছাত্ৰ-ছাত্ৰীক সন্মান প্ৰৰ্দশন কৰা অতি আৱশ্যক। এনে পৰিৱেশতহে ছাত্ৰ-ছাত্ৰীয়ে নিজক প্ৰকাশ কৰিব পাৰে আৰু আত্ম উপলবৰ্দ্ধি কৰিব পাৰে। সেয়েহে John Dewey এ কৈছিল যে এজন শিক্ষক হ'ল বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক (Teacher is a friend, philosopher and guide)।

শিক্ষাদান কাৰ্যত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিক্ষাদান বা শিকোৱা কাৰ্য বৰ সহজ কথা নহয়। মনোবিজ্ঞানীসকলৰ মতে "Teaching is not everybody's cup of tea. It is a skilled job as well as a great art. Good teaching is not sandwitch between entering the classroom and coming out of it."

শিকোৱা কাৰ্যৰ ক্ষেত্ৰত কেৱল বিষয়বস্তুৰ জ্ঞানেই শিক্ষকক সাৰ্থকভাৱে শিক্ষাদানত সহায় নকৰে। শিকোৱা কাৰ্যটোৰ লগত শিক্ষকজনৰ বুদ্ধি, ব্যক্তিত্ব, প্ৰাযুক্তিক কলা-কৌশলৰ জ্ঞান, সমসাময়িক ধ্যান-ধাৰণাৰ জ্ঞান, শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ জ্ঞান, ছাত্ৰৰ মনো-দৈহিক দিশ, মনো-সামাজিক দিশৰ জ্ঞান আদিও অতি গুৰুত্বপূৰ্ণ। সেইবাবে আধুনিক শিক্ষা দাৰ্শনিক Burtonএ মত পোষণ কৰিছে- এনেদৰে 'শিকোৱা কাৰ্য হ'ল শিক্ষাৰ উদ্দীপনা, পথ নিৰ্দেশনা, লক্ষ্য নিৰ্দেশনা আৰু অনুপ্ৰেৰণা।' (Teaching is the stimulation, guidance, direction and encouragement of learning.) সেইদৰে Ryburn নামৰ আন এগৰাকী শিক্ষাবিদে মত প্ৰকাশ কৰিছে এইদৰে- 'শিকোৱা কাৰ্য হৈছে এটা সম্পৰ্ক- যিয়ে শিশুক তেওঁৰ সকলো ক্ষমতা বিকাশত সহায় কৰে' (Teaching is a relationship which helps the child to develop his powers)।

ছাত্ৰসকলে নুবুজা কথা সহজ কৰি বুজাই দিয়া অথবা স্কুলৰ মনো-সামাজিক পৰিৱেশ সৃষ্টি কৰাটো একেবাৰে সহজ কাম নহয়। বৰ্তমান সময়ত হোৱা প্ৰযুক্তিবিদ্যাৰ ন ন আৱিষ্কাৰ, প্ৰসাৰ, ব্যৱহাৰ আৰু জ্ঞান বিস্ফৰণৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বহু কথা আগতীয়াকৈ জানে। শিক্ষাদান কাৰ্য আৰু শিক্ষকসকলৰ দায়িত্ব এক প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। গতিকে প্ৰতিজন শিক্ষকে উপযুক্ত প্ৰশিক্ষণ (আজি কালি শিক্ষকৰ শিক্ষা বোলে) লৈ শিক্ষাৰ সমৰক্ষেত্ৰখনত যুঁজ দিবলৈ সাহসেৰে থিয় হোৱা অতিকে প্ৰয়োজন। প্ৰশিক্ষণে একোগৰাকী শিক্ষকৰ মনত কৰ্ম স্পৃহা যোগাই তোলা, সঠিক পদ্ধতি অৱলম্বন কৰা, ফলপ্ৰসু শিক্ষাদান কৰা, আত্ম উপলবৰ্দ্ধি কৰা আদিত বহুপৰিমাণে সহায় কৰে। প্ৰয়োজন সাপেক্ষে শিক্ষকসকলে অভিজ্ঞ শিক্ষকৰ ওচৰত দিহা-পৰামৰ্শ ল'বলৈ সংশয় কৰিব নালাগে। মাজে সময়ে বিভিন্ন ধৰণৰ আলোচনা চক্ৰ, নবীকৰণ কাৰ্যসূচী আদিত অংশগ্ৰহণ কৰি ন ন অভিজ্ঞতাৰে নিজকে সময়ৰ স'তে খাপখুৱাই চলিবলৈ প্ৰয়াস কৰাৰ প্ৰয়োজন। এনে কাৰ্যসূচী সমূহে শিকোৱাৰ কৌশল আয়ত্ব কৰা, বিষয়বস্তু নিখুটভাৱে উপস্থাপন কৰা, আত্মপোলব্ধি কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ মনোদেহিক অৱস্থা বুজি শৈক্ষিক পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। এই কথা মনত ৰখা ভাল হ'ব যে উপযুক্ত শিক্ষকৰ ওপৰতে শিক্ষানুষ্ঠানৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে । অধ্যাপক হুমায়ুন কবীৰৰ মতে- "Without good Teacher, even the best of system is bound to fail. With good teacher, even the defects of a system can be learning overcome." কোঠাৰী আয়োগ (১৯৬৪-৬৬)ৰ মতেও - "A sound programme of proffessional education of teachers is essential for the qualitative improvement of education."

অকল ছাত্ৰ-ছাত্ৰীৰ লগত বা শ্ৰেণীকোঠাতে শিক্ষকৰ দায়িত্ব শেষ নহয়। সমাজৰ বিভিন্ন দিশলৈয়ো

শিক্ষকসকলৰ বৰঙণি গুৰুত্বপূৰ্ণ। নিৰক্ষৰতা দূৰীকৰণ, পৰিৱেশ নিয়ন্ত্ৰণ, অন্ধবিশ্বাস দূৰীকৰণ, এইড্ছ সজাগতাকৰণ, অনাময় ব্যৱস্থাৰ সদব্যৱহাৰ, বিশুদ্ধ পানীৰ ব্যৱহাৰ আদিৰ বিষয়ে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক লগত লৈ গাঁৱৰ বাইজৰ মাজত সজাগতা সৃষ্টি কৰিব পাৰে। সেয়েহে শিক্ষকসকলক 'Social engineer' বোলা হয়।

একোজন ভাল শিক্ষকে ছাত্ৰৰ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। ইয়াৰ উদাহৰণ ইতিহাসৰ পাতত অলেখ আছে। ড° ভীমৰাও আম্বেদকাৰৰ কথাকে আঙুলিয়াব পাৰি। ভীমৰাও এজন জাতিত অস্পৃশ্য শ্ৰেণীৰ ছাত্ৰ আছিল, কিন্তু উচ্চ বংশৰ ব্ৰাহ্মণ শিক্ষক আম্বেদকাৰে তেওঁক বৰ মৰমেৰে শিক্ষাদান কৰিছিল। আনকি মাজে সময়ে দুপৰীয়াৰ আহাৰো একেলগে ভগাই খাইছিল। এই শিক্ষকজনে ভীমৰাওৰ মনত বৰ দকৈ প্ৰভাৱ পেলাইছিল। সময়ত শিক্ষা সাং কৰি ভীমৰাও বেৰিষ্টাৰ হয়। বেৰিষ্টাৰ হোৱাৰ পাচত শ্ৰদ্ধা-ভক্তি আৰু কৃতজ্ঞতাৰ চিন স্বৰূপে ভীমৰাৱে তেওঁৰ নামৰ লগত শিক্ষাগুৰুৰ নাম সংযোগ কৰি 'ভীমৰাও আম্বেদকাৰ' কৰিলে। শিক্ষাবিদ Adams কৈছিল যে শিক্ষকে নাজানে ছাত্ৰৰ ওপৰত তেওঁৰ প্ৰভাৱ কেতিয়া শেষ হ'ব।

এই কথা কোৱা ভাল হ'ব যে, দেশৰ ভৱিষ্যত শ্ৰেণীকোঠাতে গঢ় লৈ উঠে। একোজন শিক্ষকৰ কৰ্মই সমাজখন প্ৰজ্বলিত কৰে। গতিকে শিক্ষকসকলে শিক্ষাদান বৃত্তিটো আন্তৰিকতাৰে গ্ৰহণ কৰিব আৰু নিজৰ দায়িত্ব উপলব্ধি কৰিব লাগিব। লগতে নিজৰো আজীৱন ছাত্ৰ হৈ থকাৰ মানসিকতা থাকিব লাগিব। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে 'এটা চাকিয়ে আন এটা চাকি জ্বলাব নোৱাৰে, যদিহে সি নিজৰ শিখা জ্বলাই ৰাখিব নোৱাৰে। সেইদৰে এজন শিক্ষকে প্ৰকৃতভাৱে শিকাব নোৱাৰে যদিহে তেওঁ নিজে শিকি নাথাকে।' এনে সাধনা থাকিলেহে একোজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিকাৰ ভাব জাগৰিত কৰিব পাৰিব। শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য যে মহান সেইক্ষেত্ৰত আমাৰ চিৰনমস্য ড° এ.পি.জে.আব্দুল কালামেও কৈছে - ~~আৰু পণ্ডিত সকলেও কৈছে-~~ 'মোৰ বিশ্বাস পৃথিৱীত এনে কোনো বৃত্তি নাই যিটো শিক্ষকতাতকৈ সমাজৰ বাবে বেছি গুৰুত্বপূৰ্ণ।' শিক্ষকতা বৃত্তিটো সবাটোকৈ মহান এই কথা ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি ভাৰতৰত্ন বিদগ্ধ পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণেও স্বীকাৰ কৰি গৈছে। তেখেতৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰত মাদ্ৰাছৰ তিৰুতানি গাঁৱত। ৰাধাকৃষ্ণণ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হৈ থকা কালত ১৯৬২ চনত ভাৰত চৰকাৰে তেখেতৰ জন্মদিনটো পালন কৰিবলৈ সিদ্ধান্ত লয়। তেতিয়া ৰাধাকৃষ্ণণে ক'লে যে তেখেতে শিক্ষকতা বৃত্তিটো সবাটোকৈ মহান জ্ঞান কৰে। সেয়েহে নিজৰ জন্মদিনটো কেৱল এটা জন্ম দিন নহৈ মহান শিক্ষকসকলৰ বাবে উচৰ্গা কৰিব বিচাৰে। ড° ৰাধাকৃষ্ণণৰ প্ৰতি সন্মান জনাই ১৯৬২ চনৰ পৰাই ৫ চেপ্তেম্বৰৰ দিনটো সমগ্ৰ দেশতে 'শিক্ষক দিৱস' হিচাপে পালন কৰা হয়। ৰাধাকৃষ্ণণে কৈছিল যে 'এজন শিক্ষক হৈ নহয়, ছাত্ৰ হিচাপেহে শ্ৰেণীকোঠাত সোমোৱা উচিত', তেতিয়াহে তেওঁ শিক্ষাদান কাৰ্যত সফলতা লাভ কৰিব পাৰিব।